# যোহনৰ দ্বিতীয় পত্ৰ

১মই বৃদ্ধজনৰ হৈ সেই মহিলা গৰাকীলৈ —
যি ঈশ্বৰৰ দ্বাৰা মনোনীত, তথা তেওঁৰ সন্তানবিলাকৰ
নাম যিবিলাকক মই সত্যৰ সহভাগী ব্যক্তি ৰূপে প্ৰেম
কৰোঁ।
কেৱল মই নহয়, কিন্তু সেই সত্যক জনা সকলোৱেই
তোমালোকক প্ৰেম কৰে।
২এই সকলো সেই সত্যৰ কাৰণে হল, যি আমাত নিবাস
কৰে আৰু আমাৰ লগত সদায়ে থাকিব।
৩পৰম পিতৃ ঈশ্বৰৰ পৰা তেওঁৰ অনুগ্ৰহ, দয়া আৰু শান্তি
সদা সৰ্বদায় আমাৰ লগত থাকিব তথা পৰম পিতৃ ঈশ্বৰৰ
পুত্ৰ যীচু খ্ৰীষ্টৰ পৰাও সত্য, প্ৰেমত আমাৰ স্হিতি থাকিব।
৪তোমাৰ সন্তানবিলাকক পৰম পিতৃৰ পৰা পোৱা
আজ্ঞা অনুসাৰে সেই সত্যত চলি থকা দেখি মই অতিশয়
আনন্দিত হলোঁ। ৫এতিয়া হে মহিলা-মই তোমালৈ কোনো
নতুন আজ্ঞা লিখাৰ দৰে নহয়, কিন্তু আদিৰে পৰা আমি যি
পালোঁ পৰস্পৰে প্ৰেম কৰোঁ। ৬প্ৰেমৰ অৰ্থ এয়ে যে আমি
তেওঁৰ আজ্ঞাবোৰৰ অনুসাৰে যেন চলোঁ। এয়েই সেই
আজ্ঞা যি তোমালোকে আদিৰে পৰা শুনিলা, তোমালোকে
প্ৰেমপূৰ্বক ভাৱে চলা।
৭জগতত অনেক প্ৰৱঞ্চক আছে। সেইবিলাকে যীচু
খ্ৰীষ্ট জগতত মাংসৰ ৰূপত অহা বুলি স্বীকাৰ নকৰে।
এই লোকেই প্ৰৱঞ্চক তথা খ্ৰীষ্টাৰি। ৮নিজকে সাৱধানে
ৰাখা! যাতে মই তোমালোকলৈ যি পৰিশ্ৰম কৰিলো তাক
যেন নেহেৰুৱা। কিয়নো তোমালোকে তোমালোকৰ
পুৰস্কাৰ যেন পোৱা।
৯যি জনে খ্ৰীষ্টৰ সত্যৰ উপদেশত তিষ্ঠি নাথাকি বহুত
দূৰলৈ গুচি যায়, তেওঁ ঈশ্বৰক নাপায়, আৰু যি কোনোৱে
তেওঁৰ উপদেশত তিষ্ঠি থাকে, তেওঁৰ পৰম পিতৃ আৰু
পুত্ৰ উভয়েই আছে। ১০যদি কোনোবাই এই উপদেশ নলৈ
তোমালোকেৰ ওচৰত আহে, তেন্তে তেওঁক ঘৰত গ্ৰাহ্য
নকৰিবা আৰু মঙ্গল হওক বুলিও নকবা। ১১কিয়নো যি
কোনোৱে এনে ব্যক্তিক আদৰ সন্মান কৰে, তেওঁ তেওঁৰ
দুষ্কৰ্ম্মৰ ভাগী হয়।
১২তোমালোকলৈ লিখিবলৈ মোৰ বহুত কথা আছে কিন্তু
মই এইবোৰ কলম আৰু চিয়াঁহীৰে লিখিব নিবিচাৰো, কিন্তু
মোৰ ইচ্ছা যে তোমালোকৰ ওচৰলৈ গৈ বহি মূখে মুখেই
কথা পাতিম। যাতে আমাৰ আনন্দ সম্পূৰ্ণ হয়। ১৩তোমাৰ
ভনীয়েৰাৰ[a] আৰু সন্তানবিলাকে তোমাক মঙ্গলবাদ কৰিছে।

[a] **১৩ ভনী**পদ ১ মহি ময়েই কিছুমান গ্ৰীক লিপিত “তুমি” আছে।